# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 24-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে স্থিতিস্থাপক অৰ্থনীতি গঢ়ি তোলা, বহনক্ষম উন্নয়ন ত্বৰান্বিত কৰা আৰু অন্তৰ্ভুক্তিমূলক বিকাশ নিশ্চিত কৰাৰ বাবে অধিক শক্তিশালী বহুপাক্ষিক সহযোগিতাৰ আহ্বান জনাইছে।

২। কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামাদ অল-থানীয়ে যোৱা দেওবাৰে কাটাৰৰ ৰাছ লাফানত সংঘটিত দুৰ্ঘটনাত নিহত হোৱা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

৩। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ উচ্চ নিৰাপত্তা বিষয়াসকলে সন্ত্ৰাসবাদ, চাইবাৰ ভাবুকিকে ধৰি বিশ্ব নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ অধিক শক্তিশালী সহযোগিতাৰ আহ্বান জনায়।

৪। নীতি আয়োগৰ উপাধ্যক্ষ ড০ অশোক কুমাৰ লাহিড়ীয়ে কয়, যে যোৱা ত্ৰৈমাসিকত ভাৰতৰ সৰ্বমুঠ বাণিজ্য ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবলত আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত হোৱা গ্ৰুপ-কেৰ এখন খেলত কালি পৰ্তুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে স্থিতিস্থাপক অৰ্থনীতি গঢ়ি তোলা, বহনক্ষম উন্নয়ন ত্বৰান্বিত কৰা আৰু অন্তৰ্ভুক্তিমূলক বিকাশ নিশ্চিত কৰাৰ বাবে অধিক শক্তিশালী বহুপাক্ষিক সহযোগিতাৰ আহ্বান জনাইছে। কালি নতুন দিল্লীত অনুষ্ঠিত গ্ল'বেল কনভাৰজেন্স ফৰ গ্ৰ'থ ছামিটত ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এখন আন্তঃসংযোগী বিশ্বত সমৃদ্ধি আৰু প্ৰত্যাহ্বানসমূহ প্ৰত্যেকৰে মাজত ভগাই লোৱা হয় যদিও সংঘাত আৰু অনিশ্চিয়তাৰ পৰিনামসমূহ উন্নয়নশীল দেশ আৰু গ্ল'বেল ছাউথৰ ওপৰত অসমতাপূৰ্ণভাৱে পৰে। তেওঁ গুৰুত্ব আৰোপ কৰে যে এই প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ সমন্বিত গোলকীয় পদক্ষেপ অপৰিহাৰ্য। গোলকীয় অসমতাৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীমতী সীতাৰমণে কয়, যে সকলো অসমতাই একে নহয়, কিয়নো কিছুমান অসমতাই জনসংখ্যা উন্নয়নৰ পৰ্যায়, সম্পদৰ প্ৰাচুৰ্য্য আৰু অৰ্থনৈতিক গাঁথনিৰ পাৰ্থক্যক প্ৰতিফলিত কৰে। ভাৰতৰ অৰ্থনৈতিক প্ৰগতিৰ কথা উল্লেখ কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ বিকাশ মূলত ঘৰুৱা চাহিদাৰ দ্বাৰা পৰিচালিত আৰু ইয়াৰ বহুলাংশে বজাৰ নিৰ্ধাৰিত বিনিময় হাৰে সমৰ্থন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামাদ অল-থানীৰ লগত হোৱা টেলিফোনিক বাৰ্তালাপত আমিৰে যোৱা দেওবাৰে কাটাৰৰ ৰাছ লাফান ইণ্ডাষ্ট্ৰিয়েল চিটীত সংঘটিত এটা দুৰ্ঘটনাত নিহত হোৱা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে কাটাৰৰ নেতাগৰাকীক ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰতি প্ৰকাশ কৰা সহানুভূতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু আহতসকলক আগবঢ়োৱা ক্ষিপ্ৰ চিকিৎসা সাহায্যৰ শলাগ লয়। দুয়োগৰাকী নেতাই নিজৰ নাগৰিকসকলৰ কল্যাণ আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে তেওঁলোকৰ প্ৰতিশ্ৰুতি পুনৰবাৰ দোহাৰে আৰু ইজনে সিজনৰ প্ৰতি সংহতি আৰু সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে যে কাটাৰে গ্ৰহণ কৰা গঠনমূলক ভূমিকাই অঞ্চলটোত স্থায়ী শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাত অৰিহনা যোগাব।

ooooo

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা— এন এছ এ আৰু ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ উচ্চ নিৰাপত্তা বিষয়াসকলে ৰাষ্ট্ৰীয় ৰাজধানী ভাৰতে আয়োজন কৰা উচ্চ পৰ্যায়ৰ বৈঠকৰ সময়ত সন্ত্ৰাসবাদ, চাইবাৰ ভাবুকিকে ধৰি বিশ্ব নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ অধিক শক্তিশালী সহযোগিতাৰ আহ্বান জনায়। ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ নেতৃত্বত অনুষ্ঠিত গ্ৰুপিঙৰ ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত ষোড়শ ব্ৰিকছ্ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা সভাত সদস্য দেশৰ শীৰ্ষ নিৰাপত্তা প্ৰতিনিধিসকলক একত্ৰিত কৰি আন্তঃৰাষ্ট্ৰীয় সমাজৰ সন্মুখত থকা ভাবুকিৰ বিষয়ে আলোচনা কৰা হয়।

**বাইট (অজিত ডোভাল)**

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি আলোচনাৰ সময়ত ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰা নিৰাপত্তাজনিত বিপদ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে এন এছ এ সমূহে ২১ আৰু ২২ মে'ত অনুষ্ঠিত হোৱা সন্ত্ৰাসবাদ বিৰোধী আৰু ৮ আৰু ৯ জুনত অনুষ্ঠিত হোৱা তথ্য আৰু যোগাযোগ প্ৰযুক্তি ব্যৱহাৰত নিৰাপত্তা সম্পৰ্কীয় ব্ৰিকছ যুটীয়া কৰ্মগোটসমূহৰ কাৰ্যকলাপ আৰু ফলাফলসমূহো পৰ্যালোচনা কৰে। আলোচনাত নেতাসকলে ব্ৰিকছৰ অধিক সহযোগিতা বৃদ্ধিৰ বাবে সমৰ্থন আগবঢ়ায়।

ooooo

নতুন দিল্লীত অনুষ্ঠিত ১৬ সংখ্যক ব্ৰিকছ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাসকলৰ বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু ৰাছিয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা চাৰ্গেই শ্বোইগুৱে ব্ৰিকছ ফ্ৰেমৱৰ্কৰ অধীনত চলি থকা সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হয়।

বৈঠকত ভাৰত-ৰাছিয়াৰ বিশেষ কৌশলগত সহযোগীতাৰ সৈতে সংগতি ৰাখি বিভিন্ন ক্ষেত্ৰত চলি থকা দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰো মূল্যায়ন কৰা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত পদ্ম সন্মানসমূহ প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক পি নাৰায়ণক সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্ম বিভূষণ প্ৰাক্তন ন্যায়াধীশ কে টি থ'মাছক সমাজ সেৱাৰ বাবে পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰা হয়। প্ৰাক্তন টেনিছ খেলুৱৈ বিজয় অমৃতৰাজ, অভিনেতা মামতি আৰু নেপথ্য গায়িকা অলকা য়াগনিকলৈ পদ্ম

ভূষণ সন্মান আগবঢ়োৱা হয়। চৰকাৰে চলিত বৰ্ষত ১৩১ গৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়াইছে। ইয়াৰ ভিতৰত ৫ গৰাকীক পদ্মবিভূষণ, ১৩ গৰাকী পদ্মভূষণ আৰু ১১৩ গৰাকী পদ্মশ্ৰী সন্মানেৰে বিভূসিত কৰা হৈছে।

০০০০০

নীটি আয়োগৰ উপাধ্যক্ষ ড০ অশোক কুমাৰ লাহিড়ীয়ে কয়, যে যোৱা ত্ৰৈমাসিকত ভাৰতৰ সৰ্বমুঠ বাণিজ্য ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। ড০ লাহিড়ীয়ে নতুন দিল্লীত ট্ৰেড ৱাটছ্ কোৱাৰ্টাৰলী প্ৰতিবেদনৰ শেহতীয়া সংস্কৰণ উন্মোচন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে যোৱা ত্ৰৈমাসিত ভাৰতৰ ৰপ্তানী ১ দশমিক ৮-৪ ট্ৰিলিয়ন ডলাৰ স্পৰ্শ কৰিছে আৰু আমদানী ৬ দশমিক ৫ শতাংশ বৃদ্ধি পাইছে। পশ্চিম এছিয়া পৰিস্থিতি সন্দৰ্ভত তেওঁ কয়, যে এই সংকট সাময়িক আৰু অতি সোনকালে বিশ্বত শান্তি ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে।

**বাইট (লাহিড়ী)**

০০০০০

ইথানল মিহলি পেট্ৰ'ল সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰচাৰ হৈ থকা বিভিন্ন দাবীক লৈ চৰকাৰে স্পষ্ট কৰি কয় যে ইথানল মিশ্ৰণ বৈজ্ঞানিকভাৱে বৈধ। ইথানল মিহলি পেট্ৰ'লক লৈ সামাজিক মাধ্যমত প্ৰচাৰ হৈ থকা প্ৰমানহীন আৰু বিভ্ৰান্তিকৰ দাবীৰ উদ্দেশ্য হৈছে জনসাাৰণক বিভ্ৰান্ত কৰা। তেল বিপণন কোম্পানী, অটোম'বাইল নিৰ্মাতা, ইন্ধন পৰীক্ষণ সংস্থা আৰু অন্যান্য সহযোগীৰ সৈতে মিলি কৰা ইথানল মিশ্ৰণ কাৰ্যসূচী ৰূপায়ণৰ ওপৰত নিৰন্তৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে। লগতে চৰকাৰে কয়, যে ই-২০ পেট্ৰ'ল অহাৰে পৰা ইথানল মিহলিৰ ফলত ইঞ্জিন বিকল হোৱা বা বাহনৰ বিজুতিৰ কোনো ব্যাপক সমস্যাৰ তথ্য বৰ্তমানলৈ পোৱা নাই।

০০০০০

এল নিনোৰ বাবে মৌচুমী বতাহৰ ফলত এইবাৰ স্বাভাৱিকতকৈ কম বৰষুণৰ পৰিপ্ৰেক্ষিতত পৰিব পৰা বিৰূপ প্ৰভাৱৰ সন্মুখীন হোৱাৰ বাবে কৃষকসকলক সহায় কৰাৰ উদ্দেশ্যে চৰকাৰে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এখন সংবাদ মেলত শ্ৰীচৌহানে কয় যে, দেশত বৰ্তমানলৈকে স্বাভাৱিকতকৈ প্ৰায় ৪৩ শতাংশ ঘাটি বৰষুণ হৈছে আৰু এইবেলি জুলাইতো মৌচুমী বতাহৰ প্ৰভাৱ কম হোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে এইবেলি স্বাভাৱিকতকৈ কম বৰষুণ হোৱাৰ ফলত দেশৰ প্ৰায় ৩১৫ খন জিলা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে আৰু ইয়াৰ ভিতৰত সীমিত জলসিঞ্চন ব্যৱস্থা থকা ১১১ খন উচ্চ অগ্ৰাধিকাৰপ্ৰাপ্ত জিলা আছে। শ্ৰীচৌহানে কয় যে ৰাজ্যসমূহক কম পানীৰ প্ৰয়োজন হোৱা দাইল, গোটাদানাযুক্ত আৰু তৈল বীজৰ দৰে শস্য প্ৰসাৰত গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। খেতিয়কসকলক সময়মতে পথ প্ৰদৰ্শন কৰাৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষি বতৰ বিজ্ঞান গোট আৰু এছ এম এছ, ৱাটছএপ, কলচেণ্টাৰ, ৰেডিঅ', টিলিভিছন আৰু সামাজিক মাধ্যমৰ দৰে অন্য পৰামৰ্শ মাধ্যম ব্যৱহাৰ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীচৌহানে কয় যে বাস্তৱিক সময় ভিত্তিক তথ্য আৰু দিহা পৰামৰ্শৰ পৰ্যালোচনা কৰাৰ বাবে দিল্লীত নিৰীক্ষণ কোষ আৰু বতৰ পৰ্যবেক্ষণ গোট স্থাপন কৰা হৈছে।

শ্ৰীচৌহানে কয় যে পশুধনৰ বাবে খাদ্যৰ উপলভ্যতা, ফচল বীমাৰ ব্যাপক সম্প্ৰসাৰণ আৰু খেতিয়কৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ডৰ দ্ৰুত বিতৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে এই পদক্ষেপসমূহে পৰ্যাপ্ত বৰষুণ নোহোৱাৰ ফলত শস্যৰ ক্ষতি  হলে লোকচান হ্ৰাস কৰাত সহায় কৰিব।

ooooo

ফিফা বিশ্বকাপ ফুটবলত আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত হোৱা গ্ৰুপ-কেৰ এখন খেলত কালি পৰ্তুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে। ৪১ বছৰীয়া তাৰকা খেলুৱৈ ক্ৰিষ্টিয়ানো ৰোনাল্ডোৱে দুটা গ'ল কৰি দলৰ জয়ত মুখ্য ভূমিকা পালন কৰে। এই গ'ল দুটাৰ জৰিয়তে ৰোনাল্ডো বিশ্বকাপৰ ছয়খন ভিন ভিন বিশ্বকাপ ফুটবলত গ'ল কৰা প্ৰথমজন খেলুৱৈ হিচাপে নতুন ইতিহাস গঢ়াৰ লগতে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মানো লাভ কৰে।

কানাডাৰ টৰণ্টো ষ্টেডিয়ামত চলি থকা গ্ৰুপ-এলৰ এখন খেলত বাতৰি যুগুতোৱাৰ পৰলৈ ক্ৰৱেছিয়াই পানামাৰ বিৰুদ্ধে ১-০ গল লাভ কৰিছে।

প্ৰতিযোগিতাত গ্ৰুপ-এলৰ আন এখন খেলত ভাৰতীয় সময় অনুসৰি পুৱা চাৰে সাত বজাত কলম্বিয়া, ডি আৰ কংগোৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

ooooo

সমাপ্ত